আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, JANUARY 16, 2024>> 10 PM  www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ২০  Guwahati, Assam ।। মূল্যঃ এটকা



■পৰম্পৰা! গোনা ম'হৰ যুঁজত কঁপিল মৰিগাঁও জিলাৰ আঁহতগুৰি

## মূল্যবৃদ্ধিকো নেওচি ৰাজ্যজুৰি ভোগালীৰ উছাহ

সুদীৰ্ঘ ৯ টা বছৰৰ অন্তত ভোগালী বিহুত জীপাল হৈ উঠিল মৰিগাঁও জিলাৰ ঐতিহাসিক আঁহতগুৰি৷ কেইবাহাজাৰ লোকৰ উপস্থিতিত আঁহতগুৰিত অনুষ্ঠিত হ'ল ম'হ যুঁজ৷ একেদৰে হাজোতো অনুষ্ঠিত হ'ল ঐতিহাসিক বুলবুলি চৰাইৰ যুঁজ। এনেদৰে শদিয়াৰ পৰা ধুবুৰীলৈ সমগ্ৰ ৰাজ্যতে দেখা গ'ল ভোগালীৰ উছাহ। সকলোৱে উৰুকাৰ নিশা ভোজ-ভাত খাই পিছদিনা পুৱাই মেজিৰ জুইত শপত ললে অনাগত দিনবোৰক অধিক প্ৰাণৱন্ত কৰি তোলাৰ। আনহাতে আলফা স্বাধীনৰ শিবিৰতো বিদ্ৰোহী সংগঠনটোৰ কেডাৰসকলে উদযাপন কৰিলে ভোগালী বিহু।

■ বিতং বাতৰি ভিতৰৰ পৃষ্ঠাত

## অশান্ত মণিপুৰৰ পৰা আৰম্ভ ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা

# ন্যায়ৰ বাট দীঘলীয়া!

### নাগালেণ্ডকো ন্যায়ৰ আশ্বাস, বৃহস্পতিবাৰে প্ৰৱেশ কৰিব অসমত

ই-সংবাদ, ১৩ জানুৱাৰীঃ দেশৰ দুটা প্ৰান্তৰ পৰা লোকসভা নিৰ্বাচনক লৈ আৰম্ভ হৈছে ব্যাপক কুচ-কাৱাজ। এফালে বিজেপিৰ ৰাম মন্দিৰৰ হিন্দুত্ববাদী ৰাজনীতি, আৰু আনফালে ধৰ্মনিৰপেক্ষতা আৰু শান্তিৰ ৰাজনীতিৰ দোহাই দি মণিপুৰৰ পৰা আৰম্ভ হৈছে ৰাহুল গান্ধীৰ 'ভাৰত জোড়ো ন্যায় যাত্ৰা' ১৪ জানুৱাৰীত হিংসাজৰ্জৰ মণিপুৰৰ থৌবালৰ পৰা আৰম্ভ হোৱা এই ন্যায় যাত্ৰাই ইতিমধ্যে মণিপুৰ পাৰ কৰি ভৰি দিছে নাগালেণ্ডত আজি যাত্ৰাৰ তৃতীয়টো দিন। ২০২৩ৰ ৩ মে'ৰ পৰাই জ্বলি আছে মণিপুৰ।

■ বিতং বাতৰি ২নং পৃষ্ঠাত



■ প্ৰথম পৃষ্ঠাৰ পৰা

# ন্যায়ৰ বাট দীঘলীয়া!

বিগত ৮ মাহৰো অধিক সময় ধৰি একেৰাহে জ্বলি থকা এই ৰাজ্যখনত ইতিমধ্যে হিংসাই প্ৰাণ কাঢ়িছে ১৭০ জনৰো অধিক লোকৰ। হাজাৰ হাজাৰ লোক গৃহহাৰা হৈ পৰিছে। কিন্তু ইমানৰ পিছতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এবাৰলৈও ভৰি থোৱা নাই অশান্ত ৰাজ্যখনত। এনে পৰিপ্ৰেক্ষিতত মণিপুৰৰ পৰা ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা আৰম্ভ হোৱাৰ পিছত ৰাজ্যখনৰ মেইটে আৰু কুকি সম্প্ৰদায়ৰ মাজত পৰিলক্ষিত হয় অন্য এক উৎসাহৰ। যাত্ৰাৰ সময়ছোৱাত দুয়োটা সম্প্ৰদায়ৰ বহু পুৰুষ-মহিলাই ৰাহুল গান্ধীক পথৰ দাঁতিত ৰৈ আদৰণি জনায় আৰু গান্ধীৰ ওচৰলৈ আহি মণিপুৰৰ হিংসা পৰিস্থিতিৰ বৰ্ণনা কৰে৷ বহু মহিলাই ৰাহুল গান্ধীক সাৱটি ধৰি হুকহুকাই কান্দি উঠা দৃশ্যও ইতিমধ্যে সামাজিক মাধ্যমত লাভ কৰিছে ব্যাপক চৰ্চা৷ চৰকাৰে তেওঁলোকৰ জীৱন-সম্পত্তিৰ সুৰক্ষা দিবলৈ প্ৰয়াস নকৰাৰ অভিযোগ তুলি ৰাজ্যখনৰ সাধাৰণ নাগৰিকসকলে ৰাহুল গান্ধীৰ ওচৰত ন্যায় দাবী কৰে৷ লগতে জ্বলি থকা মণিপুৰলৈ কিয় এবাৰলৈও প্ৰধানমন্ত্ৰী অহা নাই সেই প্ৰশ্ন সংসদত উত্থাপন কৰিবলৈও ৰাহুল গান্ধীক আহ্বান জনায় স্থানীয় লোকসকলে। ইফালে মণিপুৰৰ পৰা যাত্ৰা আৰম্ভ কৰা সন্দৰ্ভত ৰাহুল গান্ধীয়ে কয় যে আমি মণিপুৰৰ কৰুণ ঘটনা, প্ৰাণহানি আৰু হিংসাৰ ঘটনাৰ বাবে মণিপুৰৰ পৰা যাত্ৰা আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিলো। তেওঁ লগতে কয় যে এয়া হতাশাজনক কথা যে প্ৰধানমন্ত্ৰীয়ে মণিপুৰ ভ্ৰমণ কৰা নাই৷ যিটো এক দুখজনক আৰু লজ্জাজনক বিষয়। এই যাত্ৰা হৈছে মণিপুৰৰ হকে ন্যায়ৰ যুঁজ। গান্ধীয়ে মণিপুৰৰ পৰা এই যাত্ৰা আৰম্ভ কৰাৰ দিনটোতে কয় যে আমি মণিপুৰৰ পৰা এই যাত্ৰা আৰম্ভ কৰিছো, কিয়নো মণিপুৰৰ প্ৰতি যথেষ্ট অন্যায় হৈছে। এয়া প্ৰথমবাৰ হৈছে যে যেতিয়া ভাৰতৰ এখন ৰাজ্য কেইবা মাহ ধৰি হিংসাত জ্বলি আছে, কিন্তু প্ৰধানমন্ত্ৰী তালৈ যোৱা নাই। মণিপুৰৰ দৰে প্ৰধানমন্ত্ৰী মোদীয়ে নাগালেণ্ডক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰা নাই। আনহাতে হিংসা জৰ্জৰ মণিপুৰৰ মাজেৰে যাত্ৰা অব্যাহত ৰাখি সোমবাৰে সন্ধিয়া এই ন্যায় যাত্ৰাই নাগালেণ্ডত প্ৰৱেশ কৰে৷ নাগালেণ্ডৰ কহিমা যুদ্ধ সমাধিক্ষেত্ৰলৈ গৈ ৰাহুল গান্ধীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে৷ গান্ধীয়ে কহিমাৰ ইন্দিৰা গান্ধী ক্ৰীড়া ষ্টেডিয়ামো পৰিদৰ্শন কৰে৷ কহিমা ভিলেজ স্পৰ্টছ এছ'চিয়েশ্যনে আয়োজন কৰা সপ্তাহজোৰা ৬৬তম কেভিএছএ মিট-২০২৪ৰ অংশগ্ৰহণকাৰী প্ৰতিযোগিসকলৰ সৈতে বাৰ্তালাপ কৰে গান্ধীয়ে৷ তাৰ মাজতে তিনিদিনীয়া যাত্ৰাৰ পাছতে ৰাহুল গান্ধীয়ে আজি নাগালেণ্ডৰ চিফোবোজৌত এক সংবাদমেল সম্বোধন কৰে৷ ৰাহুল গান্ধীয়ে যোৱা বছৰৰ ভাৰত জোড়ো যাত্ৰাৰ কথা স্মৰণ কৰি ভাৰত জোড়ো ঐতিহাসিক যাত্ৰা আছিল বুলি কয়৷ তেওঁ কয় যে, কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈ যাত্ৰা কৰাৰ সময়ত পূবৰ পৰা পশ্চিমলৈও যাত্ৰা কৰিব লাগে বুলি বহুতে পৰামৰ্শ দিছিল৷ আৰু ইয়াৰ পিছতে কংগ্ৰেছে পুনৰ পূবৰ পৰা পশ্চিমলৈ যাত্ৰা কৰাৰ সিদ্ধান্ত লৈ ভাৰত জোড়ো ন্যায় যাত্ৰা আৰম্ভ কৰে৷ এই যাত্ৰা যোগে কংগ্ৰেছে সামাজিক ন্যায়, অৰ্থনৈতিক ন্যায় আৰু ৰাজনৈতিক ন্যায়ৰ দাবী উত্থাপন কৰা হৈছে৷ ধৰ্মক লৈ সাংবাদিকে প্ৰশ্ন কৰাত ৰাহুল গান্ধীয়ে কয় যে যিসকলে সঁচাকৈয়ে ধৰ্মত বিশ্বাস কৰে, ধৰ্মৰ নীতি অনুসৰি জীয়াই থাকে, তেওঁলোকে ধৰ্মৰ পৰা সুবিধা নলয়৷ মই মোৰ ধৰ্মৰ আদৰ্শ অনুসৰি জীয়াই থাকিবলৈ চেষ্টা কৰো। সেয়েহে মই মানুহক সন্মান কৰো, অহংকাৰ আৰু ঘৃণা নিবিয়পাওঁ। মোৰ বাবে এয়াই হিন্দু ধৰ্ম৷ গান্ধীয়ে আমি ঘৃণা নিবিচাৰো আৰু ভাৰতক সংঘবদ্ধ কৰিছো বুলি কৈ আৰু কয় যে আমি ভাৰতত প্ৰেম আৰু ভাতৃত্ববোধৰ প্ৰসাৰ বিচাৰো। বিজেপি হৈছে হিংসা আৰু ঘৃণাৰ আৰ্হিৰ লগতে অন্যায়ৰ এক আৰ্হি। দুই-তিনিজন ডাঙৰ উদ্যোগপতিয়ে সকলো ধন লাভ কৰে, অ'বিচি, দলিত আৰু বঞ্চিত শ্ৰেণীয়ে তেওঁলোকৰ অধিকাৰ নাপায়। দেশত অন্যায় হৈ আছে৷ হিংসা আৰু ঘৃণা বৃদ্ধি পাইছে। বিজেপি-আৰ এছ এছৰ লক্ষ্য হৈছে কেইজনমান উদ্যোগপতিক ভাৰতৰ সম্পূৰ্ণ ধন দিয়া। আমি এইবোৰ কথা ভাৰত জোড়ো ন্যায় যাত্ৰাত ৰাইজৰ সন্মুখত তুলি ধৰিম৷ ভাৰত জোড়ো ন্যায় যাত্ৰা হৈছে একআদৰ্শগত যাত্ৰা। এই যাত্ৰাৰ দ্বাৰা ৰাইজৰ মাজত কিছুমান অন্যায়ৰ কথা তুলি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। বিজেপিৰ বিভাজনমূলক দৃষ্টিভংগীৰ বিৰুদ্ধে বিকল্প দৃষ্টিভংগী আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে৷ উল্লেখ্য যে, ন্যায় যাত্ৰা আৰম্ভ কৰাৰ পূৰ্বে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ জয়ৰাম ৰমেশে স্পষ্ট কৰি দিছিল যে এই যাত্ৰা ৰাজনৈতিক যদিও নিৰ্বাচনকেন্দ্ৰিক নহয়।




■ মহামিলন, হাজোৰ পোৱামক্কা দৰগাহৰ সন্মুখত পতাকা জোকাৰি মণিকূট উৎসৱ-সমন্বয় শোভাযাত্ৰা উদ্বোধন খাদিম চৈয়দ তৌফিক হুছেইন আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দলৈ শিৱ প্ৰসাদ শৰ্মাৰ

# প্ৰেয়সীৰ হৈ পৰীক্ষা দিবলৈ গৈ ৰঙাঘৰৰ আলহী হ'ল 'তামাম' প্ৰেমিক

## পিন্ধিলে চুৰিদাৰ, ওঁঠত লগালে লিপষ্টিক




**চণ্ডীগড়, ১৬ জানুৱাৰীঃ** যুৱতীৰ দৰে সাজি-কাছি প্ৰেয়সীৰ হৈ নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হৈ গ্ৰেপ্তাৰ হ'বলগীয়া হ'ল এজন যুৱক। এনে এক আজব ঘটনা সংঘটিত হৈছে পঞ্জাবৰ ফৰিদাকোটত। আৰক্ষীয়ে জানিবলৈ দিয়া মতে, ধৃত অংগৰেজ সিং নামৰ যুৱকজনে যুৱতীৰ দৰেই ছেলোৱাৰ-কামিজ পৰিধান কৰি আৰু মেক-আপ লগাই প্ৰেয়সী পৰমজিৎ কৌৰৰ হৈ বাবা ফৰিদ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ দ্বাৰা অনুষ্ঠিত বহুমুখী স্বাস্থ্য কৰ্মী নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ৭ জানুৱাৰীত ডি এ ভি পাব্লিক স্কুলত অনুষ্ঠিত হোৱা পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ আনকি যুৱতীৰ সাজত ফটো সম্বলিত ভুৱা আধাৰ কাৰ্ড আৰু ভোটাৰ কাৰ্ডো ব্যৱহাৰ কৰিছিল অংগৰেজ সিঙে। কিন্তু পৰীক্ষা হলৰ বায়'মেট্ৰিক মেছিনত প্ৰকৃত প্ৰাৰ্থী অৰ্থাৎ প্ৰেয়সী পৰমজিৎ কৌৰৰ আঙুলিৰ ছাপৰ সৈতে যুৱকজনৰ আঙুলিৰ ছাপ মিল নোহোৱাত পোহৰলৈ আহে সমগ্ৰ কাণ্ড। এই ঘটনাৰ পিছতে অভিযুক্ত যুৱকজনৰ বিৰুদ্ধে বিশ্ববিদ্যালয় প্ৰশাসনে আৰক্ষী থানাত এজাহাৰ দাখিল কৰা বুলি জানিবলৈ দিয়ে এগৰাকী আৰক্ষী বিষয়াই। আৰক্ষী বিষয়াগৰাকীয়ে লগতে কয় যে যুৱকজনে নিজকে যুৱতী সজাবলৈ অলপো ত্ৰুটি ৰখা নাছিল। যুৱতীৰ দৰেই সাজ-পোছাক পৰিধান কৰাৰ উপৰিও মেক-আপ আৰু কপালত ফোট লৈছিল অংগৰেজ সিঙেও। আৰক্ষী বিষয়াগৰাকীয়ে কয় যে বায়'মেট্ৰিক মেছিনৰ জৰিয়তে এই সমগ্ৰ কাণ্ড পোহৰলৈ নহা হ'লে অংগৰেজ সিং যে পৰমজিৎ কৌৰ নহয়, সেয়া অনুমান কৰাটো যথেষ্ট কঠিন হ'লহেঁতেন। ইফালে বাবা ফৰিদ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডাঃ ৰাজীৱ ছুদে কয় যে এই নিযুক্তি পৰীক্ষাৰ প্ৰকৃত প্ৰাৰ্থী আছিল ফাজিলকাৰ বাসিন্দা পৰমজিৎ কৌৰ। কিন্তু প্ৰেয়সীক পৰীক্ষাত উত্তীৰ্ণ কৰোৱাৰ বাবেই প্ৰেমিক অংগৰেজ সিঙে এইদৰে যুৱতীৰ ভেশ লৈ পৰীক্ষা দিবলৈ আহিছিল। উল্লেখ্য যে, ৭ জানুৱাৰীত অনুষ্ঠিত হোৱা বহুমুখী স্বাস্থ্যকৰ্মীৰ ৮০৬টা খালী পদৰ নিযুক্তি পৰীক্ষাত প্ৰায় ৭,২০০ প্ৰাৰ্থী অৱতীৰ্ণ হৈছিল।

# মুখ্যমন্ত্ৰীৰ উপস্থিতিত গোনা ম'হৰ যুঁজত কঁপি উঠিল আঁহতগুৰি

## ৯ বছৰৰ মূৰত ৫২ হাল গোনা ম'হৰ যুঁজ



**ই-সংবাদ, মৰিগাঁও, ১৬ জানুৱাৰীঃ** সুদীৰ্ঘ ৯ টা বছৰৰ অন্তত ভোগালী বিহুত জীপাল হৈ উঠিল মৰিগাঁও জিলাৰ ঐতিহাসিক আঁহতগুৰি৷ ৯ বছৰৰ অন্তত কেইবাহাজাৰ লোকৰ উপস্থিতিত আঁহতগুৰিত অনুষ্ঠিত হ'ল ম'হ যুঁজ৷ ভোগালী বিহুৰ দোমাহীৰ পাছদিনা অৰ্থাৎ পহিলা মাঘত পৰম্পৰাগতভাবে ম'হ যুঁজ অনুষ্ঠিত হৈ আহিছিল৷ কিন্তু ন্যায়ালয়ৰ বাধাৰ বাবে ৯টা বছৰে প্ৰশাসনে ম'হ যুঁজ নিষিদ্ধ কৰি ৰাখিছিল৷ কিন্তু ৯ বছৰৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰৰ হস্তক্ষেপত ম'হ যুঁজ আৰম্ভ হয়৷ আজি কেইবাহাজাৰ লোকৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু পত্নী ৰিণিকি ভূঞা শৰ্মাৰ উপস্থিতিত ম'হ যুঁজ অনুষ্ঠিত হয়৷ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা ক্ষেত্ৰত উলহ-মালহৰে ম'হ যুঁজ অনুষ্ঠিত হয়। প্ৰায় ৫২ হাল গোনা ম'হৰ থৈয়া নথৈয়া যুঁজত কম্পমান হল ম'হ যুঁজ ক্ষেত্ৰ। আজি পুৱাৰ ভাগত ম'হ যুঁজস্থলীত উপস্থিত হয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। ড০ শৰ্মাই শুভেচ্ছামূলক ভাষণ প্ৰদান কৰি বাপতিসাহোন মাঘ বিহুৰ লগত ৰজিতা খুৱাই অসমীয়া জাতিটোৰে ভোগালী বিহুত ঐতিহ্য আৰু পৰম্পৰা পালন কৰি বিভিন্ন ৰং ধেমালিৰ লগতে পশু পক্ষীৰ যুঁজ অনুষ্ঠিত কৰি আহিছে বুলি কয়। অসমত বিভিন্ন জীৱ-জন্তুৰ মাজত অনুষ্ঠিত যুঁজৰ ইতিহাস বহু পুৰণি। আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনৰে পৰা আনুষ্ঠানিকতা লাভ কৰা এই যুঁজসমূহ ২০১৪ চনত মহামান্য উচ্চতম ন্যায়ালয়ে বাৰণ কৰিছিল। এই ঐতিহ্য আৰু পৰম্পৰা পুনৰ উদ্ধাৰৰ বাবে অসম চৰকাৰৰ ৰাজ্যিক কেবিনেটে কেতবোৰ কঠোৰ নীতি নিয়ম নিৰ্ধাৰণ কৰি এছ অ' পিৰ জৰিয়তে এই যুঁজসমূহ পুনৰ প্ৰচলনৰ ব্যৱস্থা কৰিছে। বিহু কেন্দ্ৰিক এই কাৰ্যসূচীসমূহে জাতিটোৰ কৃষ্টি সংস্কৃতিয়ে জাতিটোক চিৰকাললৈ চহকী কৰি ৰাখিব। অসমীয়া জাতিয়ে বিশ্বৰ বুকুত বিজয়ধ্বজ্জা উৰুৱাবলৈ সক্ষম হ'ব। ৰহা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে আনুষ্ঠানিক ভাবে উদ্বোধন কৰা ম'হ যুঁজ প্ৰতিযোগিতাত মন্ত্ৰী পীযুষ হাজৰিকা, মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী, নগাঁৱৰ বিধায়ক ৰূপক শৰ্মা, বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামী, ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটা উপস্থিত থাকে। ম'হ যুঁজৰ পূৰ্বে ম'হ যুঁজ ক্ষেত্ৰত এগছি বন্তি প্ৰজ্বলন কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰত্নকান্ত ডেকাই। ম'হ যুঁজৰ লগত সংগতি ৰাখি জ্যেষ্ঠ সাংবাদিক নোমল দাসৰ দ্বাৰা সম্পাদিত 'ঐতিহ্যমণ্ডিত আঁহতগুৰি ম'হ যুঁজ এক তথ্য সমৃদ্ধ ইতিবৃত্ত' শীৰ্ষক এখনি স্মাৰক গ্ৰন্থ উন্মোচন কৰে পৰিবহণ আয়ুক্ত গৌতম দাসে। এই যুঁজ অনুষ্ঠিত কৰাৰ বাবে চৰকাৰে কেইটিমান বিশেষ নিৰ্দেশনা জাৰি কৰিছিল। ম'হৰ সুৰক্ষা আৰু প্ৰাচীন পৰম্পৰা ৰক্ষাৰ মাজত এক সন্তুলন ৰখাৰ উদ্দেশ্যে নিৰ্দেশনা জাৰি কৰিছিল ৰাজ্য চৰকাৰে৷

# ন্যায় যাত্ৰাত ৰাহুল গান্ধীক সাক্ষাৎ নগা হোহোৰ নেতৃত্বৰ



**ই-সংবাদ, ১৬ জানুৱাৰীঃ** ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ত ৰাহুল গান্ধীয়ে নাগা হোহোৰ নেতৃত্বক সাক্ষাৎ কৰা বিষয়টোৱে বিশেষ চৰ্চা লাভ কৰিছে৷ নৰেন্দ্ৰ মোদী চৰকাৰে নগাৰ সমস্যাক গুৰুত্ব প্ৰদান নকৰাৰ লগতে নগা ফ্ৰেমৱৰ্ক কাৰ্যকৰী নকৰা বুলি অভিযোগ উত্থাপন হৈ অহাৰ সময়তে ৰাহুল গান্ধীক নগা হোহোৰ নেতৃত্বই সাক্ষাৎ কৰে৷ ভাৰত চৰকাৰ আৰু নগা জাতীয়তাবাদী গোটৰ মাজত মীমাংসাৰ বাবে ভাৰত-নাগা শান্তি প্ৰক্ৰিয়া চলাৰ সময়তে মুখ্য শক্তি হিচাপে আত্মপ্ৰকাশ কৰা হোহোৰ নাৰাজ নেতৃত্বই ৰাহুল গান্ধীক সাক্ষাৎ কৰি ক্ষোভ ব্যক্ত কৰা বুলি জানিব পৰহা গৈছে৷ নাগালেণ্ডৰ খুজামা খেলপথাৰৰ ভাৰত জোড়ো ন্যায় যাত্ৰা শিবিৰত হোহোৰ নেতৃত্বই সাক্ষাৎ কৰে। হোহোৰ নেতৃত্বই আক্ষেপ কৰি শান্তি চুক্তিক কাগজৰ টুকুৰা কৰা ৰখাৰ অভিযোগ উত্থাপন কৰে৷ ভাৰত চৰকাৰে শান্তি চুক্তিৰ দফাসমূহ কাৰ্যকৰী নকৰাৰ লগতে নগাসকলৰ দাবীক গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ উত্থাপন কৰি গান্ধীক এই বিষয়টো ৰাষ্ট্ৰীয় পৰ্যায়ত তুলি ধৰাৰ দাবী উত্থাপন কৰে৷ ভাৰত চৰকাৰ আৰু এনএছচিএন-আইএমে স্বাক্ষৰ কৰা ফ্ৰেমৱৰ্ক চুক্তি ৰূপায়ণ নকৰাত ক্ষোভ ব্যক্ত কৰি শান্তি চুক্তি কাৰ্যকৰী হ'লে নগাসকলৰ দীৰ্ঘদিনীয়া সমস্যা সমাধান হলহেঁতেন বুলি কয়৷ ১৫ জানুৱাৰীৰ সন্ধিয়া কংগ্ৰেছৰ যাত্ৰা নাগালেণ্ডৰ কোহিমাত প্ৰৱেশ কৰাত বিভিন্ন নাগা সংগঠনৰ প্ৰতিনিধিৰ লগতে নাগা হোহোৰ এটা প্ৰতিনিধি দলে ৰাহুল গান্ধীক সাক্ষাৎ কৰে। এক্সত কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কয় যে ফ্ৰেমৱৰ্ক চুক্তিখন প্ৰায় ৯ বছৰৰ পাছতো কেৱল কাগজৰ টুকুৰা হৈ আছে। প্ৰধানমন্ত্ৰীয়ে নিজকে বিশেষজ্ঞ হোৱাৰ ভুৱা দাবী কৰাৰ এয়া আন এটা প্ৰমাণ। নাগা হোহোৰ প্ৰতিনিধি দলে ৰাহুল গান্ধীক এই বিষয়টো সংসদত উত্থাপন কৰিবলৈ অনুৰোধ জনাইছে। এই ফ্ৰেমৱৰ্ক চুক্তি স্বাক্ষৰিত হোৱাৰ পূৰ্বে আন ৰাজনৈতিক দলসমূহৰ সৈতে কোনো ধৰণৰ আলোচনা হোৱা নাছিল৷ বিশেষকৈ ভাৰতীয় জাতীয় কংগ্ৰেছ তেতিয়া উত্তৰ-পূবৰ তিনিখন ৰাজ্য অৰুণাচল প্ৰদেশ, অসম আৰু মণিপুৰত চৰকাৰ চলাই আছিল। বিজেপিক আৰু কেন্দ্ৰীয় চৰকাৰক আক্ৰমণ কৰি জয়ৰাম ৰমেশে আৰু কয় যে ফ্ৰেমৱৰ্ক চুক্তিৰ এই গোটেই অনুশীলন স্পষ্টভাৱে প্ৰধানমন্ত্ৰীৰ শিৰোনাম দখলৰ বাবে কৰা কামসমূহৰ মাজৰ এটা৷ চুক্তিৰ বিৱৰণ এতিয়াও ৰাজহুৱা হোৱা নাই৷ ৰাহুল গান্ধীৰ নেতৃত্বত ভাৰত জোড়ো ন্যায় যাত্ৰা ১৫ জানুৱাৰীত কহিমা জিলাৰ খুজমা গাঁৱত উপস্থিত হোৱাত নাগালেণ্ডত উপস্থিত হয়। উল্লেখ্য যে, খ্ৰীষ্টান প্ৰাৰ্থনা গোট শিশা হোহোৰ দ্বাৰা আয়োজিত ডিমাপুৰত তিনিদিনীয়া নাগা শান্তি সন্মিলনৰ অন্তত ২০০৮ চনৰ ২৪ ফেব্ৰুৱাৰীত ফ'ৰাম ফৰ নাগা ৰিকনচিলিয়েচন গঠন কৰা হৈছিল। সকলো অস্ত্ৰধাৰী গোট, নগা জাতীয় দল-সংগঠন, নাগালেণ্ড বেপ্টিষ্ট চাৰ্চ কাউন্সিল, কাউঞ্চিল অৱ নাগা বেপ্টিষ্ট চাৰ্চৰ সৈতে ৩৯টা নাগা সংগঠনৰ সমৰ্থনত ২০০৮ চনৰ ২৫ মাৰ্চত কহিমাত এফএনআৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। এই মঞ্চখনে নগাসকলৰ ঐতিহাসিক আৰু ৰাজনৈতিক অধিকাৰৰ ভিত্তিত বিভিন্ন নগা সশস্ত্ৰ গোট আৰু ভাৰত চৰকাৰৰ মাজত মীমাংসা কৰিবলৈ চেষ্টা কৰিছিল। এই মঞ্চ গঠনৰ পাছৰে পৰা নাগা সশস্ত্ৰ গোটৰ মাজৰ মাজত হিংসা হ্ৰাস পায়৷ লগতে বিভাজনমূলক ৰাজনৈতিক ভাষ্য, নাগা সশস্ত্ৰ গোটৰ মাজত চুক্তিৰ সুবিধা প্ৰদান, স্বতন্ত্ৰ পৰ্যবেক্ষক নিয়োগ আদি বিষয় উত্থাপন কৰা হৈছিল৷ ২০১৫ চনৰ জানুৱাৰী মাহত এই মঞ্চই নাগা শান্তি প্ৰক্ৰিয়া পুনৰ আগবঢ়াই নিয়াৰ আহ্বান জনায়। ২০১৫ চনৰ ৩ আগষ্টত নাগা ফ্ৰেমৱৰ্ক চুক্তি সম্পন্ন কৰা হয়৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই চুক্তি চুবুৰীয়া ৰাজ্যক বিশ্বাসত নলৈ কৰা বুলি অভিযোগ উত্থাপন হৈছিল৷ লগতে অসমৰ বৃহৎ অংশ নাগালেণ্ডত অন্তৰ্ভুক্ত কৰা বুলি অভিযোগ উঠাত অসমত তীব্ৰ প্ৰতিবাদ আৰম্ভ হৈছিল৷

# হিন্দু-মুছলমানৰ মহামিলনৰ তীৰ্থত পৰিণত পঞ্চতীৰ্থ হাজো

## মণিকূট উৎসৱত গায়ন-বায়ন-আয়তী-জিকিৰ-জাৰি

**ই-সংবাদ, শুৱালকুছি, ১৬ জনুৱাৰীঃ** গায়ন-বায়নৰ খোল-তাল, আয়তীৰ নাম কীৰ্তন, বিহুৱাৰ বিহু আৰু জিকিৰ-জাৰিয়ে মহামিলনৰ তীৰ্থত পৰিণত কৰিলে হাজোক। পৰম্পৰা ৰক্ষা কৰি পূৰ্বৰ দৰেই আছুৰ উদ্যোগত অনুষ্ঠিত হাজোৰ মণিকূট উৎসৱ-সমন্বয় শোভাযাত্ৰাত জাতি, বৰ্ণ, ধৰ্মৰ সঙ্গমথলীত পৰিণত হ'ল। ধৰ্মীয় সংকীৰ্ণতাৰ উৰ্ধত শান্তি-সম্প্ৰীতি আৰু মহামিলনৰ বাৰ্তা দি মানৱ সমাজত বিলাই দিলে ভাতৃত্ববোধৰ চানেকী। আজিৰে পৰা তীৰ্থ নগৰী হাজোৰ ঐতিহাসিক পোৱামক্কা দৰগাহ আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰত আৰম্ভ হৈছে এমাহ যোৰা মহামিলনৰ পৰাম্পৰাগত উৎসৱ মাঘীমেলা, উৰুচমেলা আৰু মণিকুট উৎসৱ। এই উপলক্ষে দূৰ-দূৰণিৰ পৰা অহা পৰ্যটক, তীৰ্থযাত্ৰী আৰু ভক্তৰ ব্যাপক সমাগমত লোকে-লোকাৰণ্য হৈ পৰিছে তীৰ্থভূমি হাজো। এইবেলিও ভোগালী বিহুত অনুষ্ঠিত মাঘীমেলা, উৰুচমেলা আৰু মণিকূট উৎসৱৰ ফলত অসমৰ মহামিলনৰ তীৰ্থ হৈ পৰে হাজো। অসমৰ অপূৰ্ব সম্প্ৰীতিৰ এনাজৰীডাল বিশ্ব দৰবাৰত উজলি উঠা হাজো আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতিবছৰৰ দৰে এইবেলিও হাজোবাসী ৰাইজৰ সহযোগত অনুষ্ঠিত কৰিছে মণিকূট উৎসৱ। আজি পহিলা মাঘৰ দিনটোত মণিকূট উৎসৱৰ বৰ্ণিল সমন্বয়-সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ঐতিহাসিক পোৱামক্কা দৰগাহৰ মুখ্য তোৰণৰ সন্মুখৰ পৰা শুভাৰম্ভ কৰা শোভাযাত্ৰা প্ৰায় ডেৰ কিলোমিটাৰ দূৰত্বৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ প্ৰাংগণত সামৰণি পৰে। দিনৰ এঘাৰ বজাত উলিওৱা বৰ্ণিল সাংস্কৃতিক-সমন্বয় শোভাযাত্ৰাৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে পোৱামক্কা দৰগাহৰ খাদিম চৈয়দ তৌফিক হুছেইন আৰু হয়গ্ৰীৱ মাধৱ মন্দিৰৰ দলৈ শিৱ প্ৰসাদ শৰ্মাই। শোভাযাত্ৰাত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক শংকৰ জ্যোতি বৰুৱা, বিশিষ্ট সংগীত শিল্পী দিপান্বিতা ডেকা, জনপ্ৰিয় সংগীত শিল্পী নেকিব, মানস ৰবীন, দীপলিনা ডেকা, বিশিষ্ট অভিনেতা নয়ন নিলীম, শ্ৰী শ্ৰী ঈশ্বৰ হাটীসত্ৰৰ সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্ত আদিয়ে। বৰ্ণিল শোভাযাত্ৰাত অংশ গ্ৰহণ কৰা তীৰ্থনগৰী হাজোৰ বিভিন্ন অঞ্চলৰ সাংস্কৃতিক দলসমূহে পথৰ দুয়োকাষে নাচি-বাগি আৰু একাংশ যুৱতীয়ে পাট-মুগাৰ সাজ পৰিধান কৰি কঁকালত পিতলৰ কলহলৈ আগবাঢ়ি যোৱা মনোৰম দৃশ্যই ৰাইজৰ মন-মোহিত কৰে। বিশেষকৈ শোভাযাত্ৰাকাৰ সকলক প্ৰতিটো পৰিয়ালে পদুলি মুখত বৈ দুহাত জোকাৰি আদৰণি জনোৱা দৃশ্য আছিল অপূৰ্ব। এই বৰ্ণিল শোভাযাত্ৰাত হাজোৰ ড০ পংকজ নমশূদ্ৰ আৰু জয়ৰাম দাসৰ নেতৃত্বত অংশ লোৱা সতী বেউলাৰ জীৱন্ত প্ৰতীকী সকলোৰে আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ পৰে। শোভাযাত্ৰা সামৰণিৰ অন্তত দিনৰ প্ৰায় এক বজাত ৰাজহুৱা মঞ্চত হাজো আছুৰ সভাপতি প্ৰাণজিৎ দেউৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সভা উদ্বোধন কৰি মণিকূট উৎসৱ আৰু সমন্বয় শোভাযাত্ৰা উদযাপন সমিতিৰ সভাপতি প্ৰকাশ চন্দ্ৰ দাসে হাজোৰ সমন্বয় পৃথিৱীত বিৰল বুলি কয়। সম্প্ৰীতিৰ মহানবাণী বিশ্বৰ বুকুত বিলাই দিবলৈ আছুৱে যি প্ৰচেষ্টা লৈ আহিছে, সেয়া অদূৰ ভৱিষ্যতেও অব্যাহত থাকিব। আছুৰ সভাপতি উৎপল শৰ্মাই ভাষণ প্ৰসংগত কয় যে জাতি, ধৰ্ম, ভাষা, বৰ্ণ ডাঙৰ কথা নহয়। মানৱতাবোধ জীয়াই ৰখাটোৱে সমন্বয়। সমন্বয়-সাংস্কৃতিক শোভাযাত্ৰা জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে অংশ গ্ৰহণ কৰি প্ৰতীয়মান কৰিলে যে আমাৰ মাজত কোনো ভেদাভেদ নাই। সত্ৰাধিকাৰ ৰাজীৱ লোচন সন্তই কয় যে শংকৰ-মাধৱৰ বৰ অসম গঢ়াৰ যি বাৰ্তা সমাজক দি আহিছে, সেই বাৰ্তা হাজোৰ এই সমন্বয় শোভাযাত্ৰাই বহন কৰি আহিছে আৰু অদূৰ ভৱিষ্যতেও মানৱতাৰ দৃষ্টিৰে এনে সমন্বয় জীয়াই থাকক। আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই ভাষণ প্ৰসংগত কয় যে অসমৰ স্বাভিমান হাজো অসমীয়া সমাজ জীৱনৰ স্বত্বা। সম্প্ৰীতি আৰু সমন্বয়ৰ জলন্ত নিদৰ্শন হাজোৰ মণিকূট উৎসৱ আৰু সমন্বয় শোভাযাত্ৰাই প্ৰমাণ কৰিছে, জাতি, ধৰ্ম, বৰ্ণৰ নামত আমাৰ মাজত বিভাজন নাই। ধৰ্মীয় গোৰামি পৰিহাৰ কৰি আমি সকলোৱে সমন্বয়ৰ নিদৰ্শন দাঙি ধৰিব লাগিব বুলিও কয় বৰুৱাই। মণিকূট উৎসৱ উপলক্ষে পুৱা আছুৰ পতাকা উত্তোলন কৰে হাজো আছুৰ সভাপতি প্ৰাণজিৎ দেউৰীয়াই আৰু শ্বহীদ তৰ্পন কৰে সাধাৰণ সম্পাদক তফিকুৰ ৰহমানে। হিন্দু-মুছলমানৰ সমন্বয়ৰ স্মৃতিক চিৰ যুগমীয়া কৰি তীৰ্থনগৰী হাজোত ইতিহাসে ঢুকি পোৱা কালৰে পৰা অনুষ্ঠিত হৈ আহিছে মাঘীমেলা, উৰুচমেলা আৰু মণিকূট উৎসৱ।

## হাজোৰ বুলবুলি চৰাইৰ যুঁজ উপভোগ মুখ্যমন্ত্ৰীৰ

# মূল্যবৃদ্ধিকো নেওচি ৰাজ্যজুৰি ভোগালীৰ উছাহ





**ই-সংবাদ, ১৬ জানুৱাৰীঃ** আকৌ এবাৰ অসমীয়া জাতিটোৰ সাহস হৈ আহিল বাপতি সাহোন ভোগালী বিহু৷ এই বিহুতেই জাতি আৰু জীৱনক সমৃদ্ধ কৰাৰ শপত ল'লে প্ৰতিগৰাকী অসমীয়াই৷ অসমীয়া সমাজখনে আকৌ শক্তিশালী ৰূপে থিয় হোৱাৰ সংকল্প ল'লে৷ জাতি, মাটি, ভেটি ৰক্ষাৰ শপত খাই বাৰে বাৰে জাতিটোক ঠগাই আহিছে ৰাজনৈতিক দলে৷ এই ছেগতে জাতি, মাটি, ভেটি ৰক্ষাৰ শপত খালে খোদ অসমীয়াই৷ অন্যায়, অবিচাৰৰ বিৰুদ্ধে যুঁজি জাতিটোক সমৃদ্ধ কৰাৰ সংকল্প ল'লে অসমীয়াই৷ বিহুৱে অসমীয়া জাতিক নিজস্ব পৰিচয় দি আহিছে৷ সেয়েহে ক'বই লাগিবই যে ভোগালী বিহুৱে সমাজখনক আকৌ এবাৰ ঐক্যৰ এনাজৰীৰে বান্ধি পেলালে৷ মহা ধুমধামেৰে ৰাজ্যবাসীয়ে পালন কৰিলে উৰুকা আৰু দোমাহী৷ এই দুটা দিনত অতি উলহ-মালহেৰে গাঁৱৰ ঘৰত, পথাৰত ব্যস্ত হৈ পৰিল অসমীয়া৷ উৰুকাৰ নিশাৰ জুইকুৰা, দোমাহীৰ পুৱাৰ মেজিৰ জুইকুৰাই প্ৰতিগৰাকী অসমীয়াক সতেজ কৰি পেলালে৷ দোমাহীৰ পুৱাৰে পৰা পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়৷ বান, খহনীয়া, মূল্যবৃদ্ধিৰ দৰে সমস্যাৰ বাবে দুখ-যন্ত্ৰণাৰ মাজেৰে পাৰ কৰা অসমীয়াই খেল-ধেমালি, হাঁহি-ধেমালিৰ মাজত দুখবোৰ পাহৰি আপোন পাহৰা হ'ল৷ হাঁহ ধৰা প্ৰতিযোগিতা, কণী যুঁজ, কড়ি খেল, ম'হ যুঁজ, বুলবুলি চৰাই যুঁজ, হাউখেল, বোন্দা হাউ, ঢোপখেল, টাংগুটি, ঘিলাখেল, ৰচী টনা, কধৰা টনা, কুকুৰা যুঁজ আদি খেলি অসমীয়া আপোন পাহৰা হৈ পৰিল৷ যোৱা দুটা দিনত জীপাল হ'ল গাঁওসমূহ৷ কৃষকৰ চোতাল মানুহেৰে ভৰি পৰিল৷ গাঁৱৰ মানুহৰ চৰণৰ ধূলি পৰি চোতালসমূহ পবিত্ৰ হ'ল৷ ধনী-দুখীয়াৰ ভেদাভেদ দুটা দিনত সকলোৱে পাহৰি গ'ল৷ অশেষ কষ্টৰ অন্তত শালি ধান, মাহ, তিল, মগু, আদিৰ খেতি চপাই মানুহে ভঁৰাল ভৰাইছে। পথাৰৰ সোণগুটিৰে ভৰি পৰিছে ভঁৰালঘৰ। ঘৰৰ পুখুৰীৰ মাছ, গড়ালৰ হাঁহেৰে উৰুকাৰ নিশাৰ এসাজ সকলোৱে উপভোগ কৰিলে৷ ঘৰে ঘৰে সান্দহ, চিৰা, পিঠা, লাডু, আখৈ উপচি পৰিছে। উৰুকাৰ নিশা এসাজ খাই পুৱাই মেজি জ্বলাই সমূহ অসমীয়াই অপয়া, অমংগল, অসূয়া, হত্যা, হিংসাৰ নাশ হোৱাৰ কামনা কৰিছে৷

সমগ্ৰ ৰাজ্যবাসীৰ লগতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও পৰিয়ালৰ সৈতে পালন কৰিলে ভোগালী বিহু৷ দোমাহীৰ পুৱাই মেজি জ্বলাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সমাজৰ পৰা অমংগল, নেতিবাচক চিন্তা দূৰ কৰি সকলোৱে জীৱনত শান্তি, সমৃদ্ধি, সুখেৰে ভৰি পৰাৰ কামনা কৰে। মুখ্যমন্ত্ৰীয়ে কয় "ভোগালী বিহু প্ৰাচুৰ্যৰো প্ৰতীক৷ আমাৰ জাতীয় জীৱনৰ সমৃদ্ধ লোকাচাৰ-পৰম্পৰা তথা ঐতিহ্যক প্ৰতিনিধিত্ব কৰা ভোগালী বিহুৰ মেজি এক অবিচ্ছেদ্য অংগ। প্ৰাতঃসময়ত সহধৰ্মিণী ৰিণিকি ভূঞা শৰ্মা, পুত্ৰী সুকন্যা, পুত্ৰ নন্দিল আৰু কেবিনেট সতীৰ্থ জয়ন্ত মল্ল বৰুৱাৰ সৈতে জ্বলন্ত মেজিৰ তাপ লৈ প্ৰাৰ্থনা কৰিলো। মেজিৰ অগ্নিয়ে আমাৰ সকলো নেতিবাচকতা দূৰ কৰি শান্তি, সমৃদ্ধি, সুখেৰে ভৰাই তোলক সেয়াই প্ৰাৰ্থনা জনালো৷" মুখ্যমন্ত্ৰীগৰাকীয়ে দোমাহীৰ দিনটোত হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত সেৱা আগবঢ়ায়৷ তদুপৰি ন্যায়ালয়ৰ বাধাৰ বাবে সুদীৰ্ঘ ৯ বছৰ পিছত অনুষ্ঠিত হোৱা হাজোৰ ঐতিহাসিক বুলবুলি চৰাইৰ যুঁজো উপভোগ কৰে মুখ্যমন্ত্ৰীয়ে।

# অসম চৰকাৰে ন্যায় যাত্ৰা বিফল কৰিবলৈ প্ৰয়াস কৰিছেঃ অলকা লাম্বা

**ই-সংবাদ, ১৬ জানুৱাৰীঃ** ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাৰ মণিপুৰৰ পৰা নাগালেণ্ডত প্ৰৱেশ কৰাৰ পাছতে উজনি অসমত বাহৰ পাতিছে কংগ্ৰেছৰ সৰ্বভাৰতীয় নেতা-নেত্ৰী। ১৮ ডিচেম্বৰত নগালেণ্ড সীমান্তৰ আমগুৰিৰ মাজেৰে ৰাহুল গান্ধীৰ ন্যায় যাত্ৰা অসমত প্ৰৱেশ কৰিব। অসমত ৮টা দিন অতিবাহিত কৰিব গান্ধীৰ এই যাত্ৰাই। সৰ্বভাৰতীয় মহিলা কংগ্ৰেছৰ সভানেত্ৰী অলকা লাম্বা, অসম কংগ্ৰেছৰ মিডিয়া সমন্বয়ক মহিমা সিং, বীনিত পুণিয়া আদি নেতাই উজনি অসমত বাহৰ পাতিছে। লখিমপুৰত বাহৰ পাতি থকা সৰ্বভাৰতীয় মহিলা কংগ্ৰেছৰ সভানেত্ৰী অলকা লম্বাই সংবাদমেল সম্বোধন কৰি বিজেপি দল আৰু চৰকাৰক তীব্ৰ সমালোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীক তীব্ৰ সমালোচনা কৰি অলকা লাম্বাই কয় 'মণিপুৰ জ্বলি আছে। মণিপুৰত ভৰি দিবলৈ সময় নোহোৱা নৰেন্দ্ৰ মোদীয়ে সাগৰৰ তীৰত ফটো উঠিবলৈ সময় পায়। ২০২২ চনৰ স্বাধীনতা দিৱসৰ দিনটোত নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰীয়ে নাৰীৰ সুৰক্ষাৰ ভাষণ দি থকাৰ সময়তে ১১ জন ধৰ্ষণকাৰীক মুকলি কৰি দিয়ে গুজৰাট চৰকাৰে। ৩৩ শতাংশ মহিলা সংৰক্ষণৰ বিধেয়ক গৃহীত কৰিও কাৰ্যকৰী নকৰিলে।' অলকা লম্বাই অসমৰ বিজেপি চৰকাৰৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি ৰাহুল গান্ধীৰ যাত্ৰা বিফল কৰিবলৈ প্ৰয়াস কৰাৰ অভিযোগ আনে। এই ক্ষেত্ৰত তেওঁ কয় যে অসম চৰকাৰে ভাৰত জোড়ো ন্যায় যাত্ৰা বিফল কৰিবলৈ সকলো শক্তি প্ৰয়োগ কৰিছে। চৰকাৰে যিমানে বাধা দিব সিমানে কংগ্ৰেছে দুগুণ উৎসাহেৰে ৰাইজক লৈ যাত্ৰা কৰিব। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ উপস্থিতিত অনুষ্ঠিত সাংবাদমেলত অলকা লম্বাই ৰাহুল গান্ধীৰ যাত্ৰা পৰিৱৰ্তন যাত্ৰালৈ পৰিৱৰ্তন হৈছে আৰু ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাক নিষ্পেষিত লোকৰ কণ্ঠ বুলি দোহাৰে। লাম্বাই আৰু কয় 'দেশত আজি নাৰী সুৰক্ষিত নহয়। বিজেপি নেতাৰ দ্বাৰা মহিলাক নিৰ্যাতন চলোৱা হয়। লাম্বাই কয় 'বেটী বচাও বেটী পঢ়াও' শ্ল'গান দিয়া বিজেপি চৰকাৰৰ দিনত ৰাজ্যই ৰাজ্যই মহিলা নিৰ্যাতিতা। নিৰ্যাতন, ধৰ্ষণৰ বলি হৈছে মহিলা। মহিলাক সুৰক্ষা দিব নোৱাৰাৰ লগতে নিবনুৱা সমস্যা আৰু মূল্যবৃদ্ধি নিয়ন্ত্ৰণত বিফল হৈছে চৰকাৰে।

## মোদীয়ে সাগৰৰ তীৰত ফটো উঠে, জ্বলি থকা মণিপুৰত ভৰি নিদিয়ে!




# শ্বহীদ জিণ্টু গগৈৰ স্মাৰক প্ৰাংগণত সেনা বাহিনী দিৱস উদযাপন

**ই-সংবাদ, গোলাঘাট, ১৬ জানুৱাৰীঃ** খুমটাইত গোলাঘাট ৰ'টাৰি ক্লাবৰ উদ্যোগত কাৰ্গিল শ্বহীদ জিণ্টু গগৈৰ স্মাৰক প্ৰাংগণত ভাৰতীয় সেনা-বাহিনী দিৱস উদযাপন কৰা হয়। পৱিত্ৰ দিনটোত খুমটাইৰ কাৰ্গিল শ্বহীদ জিণ্টু গগৈৰ স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শ্বহীদগৰাকীৰ খুড়াক তথা ভাৰত-পাক যুদ্ধৰ অৱসৰপ্ৰাপ্ত সেনা বিষয়া চিদানন্দ গগৈক সম্বৰ্ধনা জ্ঞাপন কৰে। ৰ'টাৰী ক্লাব গোলাঘাটৰ সদস্যসকলে খুমটাইৰ কাৰ্গিল শ্বহীদ জিণ্টু গগৈৰ স্মাৰক পৰিচৰ্যা কৰাৰ ক্ষেত্ৰত চৰকাৰ তথা অন্যান্য সামিজিক সংগঠনসমূহে গুৰুত্ব নিদিয়াত আক্ষেপ প্ৰকাশ কৰে। সেনা বাহিনীত যোগদান কৰি দেশৰ হকে যুঁজ দিয়া আৰু বৰ্তমানো জীৱিত সেনা জোৱানসকলৰ বিষয়ে নৱ প্ৰজন্মই অৱগত নোহোৱাত দুখ প্ৰকাশ কৰে। অৱসৰ গ্ৰহণ কৰা সৈন্য, দেশৰ হকে যুঁজ দি প্ৰাণ আহুতি দিয়া আৰু দেশৰ হকে অংগক্ষত হোৱা সেনা জোৱানসকলৰ পৰিচয় উদ্ধাৰ কৰি আহিছে গোলাঘাট ৰ'টাৰী ক্লাবে। পৰিচয় উদ্ধাৰ কৰি ত্যাগক স্বীকৃতি প্ৰদান কৰি আহিছে ৰ'টাৰি ক্লাবে। ৰ'টাৰি ক্লাব প্ৰতিবছৰে এই কাৰ্যসূচী পালন কৰি আহিছে। অনুষ্ঠানত উপস্থিত থাকে গোলাঘাট ৰ'টাৰী ক্লাবৰ সভানেত্ৰী মিনুৱাৰা বেগম, প্ৰাক্তন সভাপতি এ.কে হাজৰিকা, এছ.এছ ৰহমান, কনকণা বৰুৱা, ৰমেশ গুপ্ত, খুৰ্চি আলম খান আদি।

# দিল্লীত বিমান উৰণত বিলম্ব হোৱাত পত্নীৰ সন্মুখতে পাইলটক ঘোচা

**নতুন দিল্লী, ১৬ জানুৱাৰীঃ** ১৪ জানুৱাৰীৰ পৰা দেশৰ বিভিন্ন বিমান বন্দৰত বন্দী হৈ পৰিছে শ-শ যাত্ৰী। ঘন কুঁৱলিৰ বাবে বহু বিমানৰ যাত্ৰা বাতিল কৰিবলগীয়া হৈছে। অন্যথা ১০-১২ ঘণ্টা পৰ্যন্ত উৰণত বিলম্ব হৈছে। ইয়াৰ মাজতে ইণ্ডিগো এয়াৰলাইনৰ এখন বিমানৰ ভিতৰত যাত্ৰীয়ে পাইলটক ঘোচা মৰাৰ দৰে ঘটনা সংঘটিত হয়। বিমান উৰণত বিলম্ব হোৱাত যাত্ৰীৰ মাজত ক্ষোভৰ মাজতে এই কাণ্ড সংঘটিত হয়। এই ঘটনাৰ এটা ভিডিঅ' ভাইৰেল হৈছে। গোৱা-দিল্লীৰ মাজৰ বিমানখন দিল্লীৰ পৰা উৰা মৰাত প্ৰায় ১০ ঘণ্টা পলম হৈছিল। ইয়াৰ পাছতে বিমান সংস্থাটোৱে এক বিবৃতি জাৰি কৰি যাত্ৰীসকলৰ ওচৰত ক্ষমা খোজে আৰু আশ্বাস দিয়ে যে ভৱিষ্যতে এনেধৰণৰ যিকোনো ঘটনা পৰিহাৰ কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ'ব। ১৫ জানুৱাৰীত দিল্লীৰ পৰা গোৱা অভিমুখী বিমানখনত এই ঘটনা সংঘটিত হয়। হালধীয়া হুডি পিন্ধা ক্ষোভিত যাত্ৰী চাহিল কাটাৰিয়াই পাইলটক খেদি গৈ থাপ্পড় মাৰে। এয়াৰ হোষ্টেচে যাত্ৰী চাহিল কাটাৰিয়াক আঁতৰাই নিবলৈ চেষ্টা কৰা দেখা যায়। যাত্ৰীয়ে পাইলটক আক্ৰমণ কৰাত আন আন যাত্ৰীসকল হতবাক হয় আৰু চাহিল কাটাৰিয়াক শান্ত কৰিবলৈ চেষ্টা কৰে। ভিডিঅ'টো মূলতঃ এভজেনিয়া বেলস্কায়াৰ নামৰ লোকজনে ইনষ্টাগ্ৰাম শ্বেয়াৰ কৰিছে। ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰৰ ডিচিপিৰ মতে, ইণ্ডিগো এয়াৰলাইনছে অভিযোগ দাখিল কৰাৰ পিছত চাহিলক আটক কৰা হৈছিল যদিও ১৩ ঘণ্টাৰ পিছত জামিন লাভ কৰে। চাহিলৰ বিৰুদ্ধে উপযুক্ত আইনী ব্যৱস্থা লোৱা হ'ব বুলি প্ৰকাশ কৰিছে আৰক্ষীয়ে। ইফালে, ইণ্ডিগোই ঘটনাৰ তদন্তৰ বাবে এখন আভ্যন্তৰীণ সমিতি গঠন কৰিছে। যাত্ৰীজনক 'নো-ফ্লাই লিষ্ট'ত অন্তৰ্ভুক্ত কৰিব পাৰে বুলি জানিব পৰা গৈছে।জানিব পৰা মতে, চাহিল কাটাৰিয়াই গোৱা ভ্ৰমণ কৰিবৰ বাবে বিমানৰ বাবে বৈ আছিল। চাহিলে ৫ মাহ পূৰ্বে বিয়া কৰাইছিল। পত্নীক লৈ মধুচন্দ্ৰিকাৰ বাবে গোৱা ভ্ৰমণ কৰিব খুজিছিল। উল্লেখ্য যে, ঘন কুঁৱলী আৰু বেয়া বতৰৰ বাবে সমগ্ৰ উত্তৰ আৰু মধ্য ভাৰতত বিমান পৰিচালনাত ব্যাপক ব্যাঘাত জন্মিছে। দেওবাৰে ৰাজধানী দিল্লীত ঘন কুঁৱলীৰ বাবে প্ৰায় ১১ ঘণ্টা বিমানত উৰণত বিলম্ব হয়। যাৰ ফলত হাজাৰ হাজাৰ যাত্ৰী ঘণ্টাৰ পাছত ঘণ্টা ধৰি অপেক্ষা কৰিবলগীয়া হয়। ভাৰতত পাইলটক আক্ৰমণ কৰাৰ দৰে এনে ঘটনা তেনেই কম বুলিব পাৰি।

# কোকৰাঝাৰত হিতাধিকাৰীৰৰ মাজত নতুনকৈ ৰেচন কাৰ্ড বিতৰণ

## ৰাইজে জনমুখী আঁচনিৰ সুফল পাইছেঃ প্ৰমোদ বড়ো

**ই-সংবাদ, কোকৰাঝাৰ, ১৬ জানুৱাৰীঃ** আজি ৰাজ্যজুৰি নতুনকৈ ৰেচন কাৰ্ড বিতৰণ কৰা হয়। ইয়াৰ সমান্তৰালভাৱে কোকৰাঝাৰ জিলাতো নতুনকৈ ৰেচন কাৰ্ড বিতৰণ কৰা হয়। কোকৰাঝাৰ জিলাৰ ৩ নং কোকৰাঝাৰ বিধানসভা সমষ্টি আৰু ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত নতুনকৈ ৰেছন কাৰ্ড বিতৰণ কৰা হয়। এই উপলক্ষে গাঁওবুঢ়া ভৱনৰ ওচৰৰ দক্ষিণ কাঁচিবাৰী খেলপথাৰত অনুষ্ঠিত হোৱা এক সভাত বিটিচিপ্ৰধান প্ৰমোদ বড়োৱে ১৫ গৰাকী লোকক আনুষ্ঠানিকভাৱে নতুন ৰেছনকাৰ্ড বিতৰণ কৰে। উল্লেখযোগ্য যে ৩ নং কোকৰাঝাৰ বিধানসভা সমষ্টিৰ ৫,৮৮৫ আৰু ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ পৰা ২,০০৪ গৰাকী হিতাধিকাৰীয়ে নতুন ৰেছনকাৰ্ড লাভ কৰিছে বিটিচিপ্ৰধান প্ৰমোদ বড়োৱে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্তবিশ্ব শৰ্মাৰ ভূয়সী প্ৰশংসা কৰি কয়, 'অসমত ৪২ লাখতকৈও অধিক লোকক ৰেছনকাৰ্ড বিতৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীৰ সু-শাসনকালত ই এক ঐতিহাসিক ঘটনা। এসাজ ভাত খাব নোৱাৰিলে শাৰীৰিক আৰু মানসিকভাৱে বহুত সমস্যা হয় বুলি উল্লেখ কৰি প্ৰমোদ বড়োৱে চৰকাৰৰ জনমুখী আঁচনিৰ সুফল ৰাইজে লাভ কৰিছে আৰু ইয়াৰ বাবে প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। আজিৰ সভাখনত বিটিচিপ্ৰধান প্ৰমোদ বড়ো, কোকৰাঝাৰ পূব বিধানসভা সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰী, কাৰ্যকৰী সদস্য ৰেওৱেওৱা নাৰ্জিহাৰী, উকীল মুচাহাৰী, কোকৰাঝাৰ জিলাৰ জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিৱেদী আদিকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ইয়াৰ উপৰি আজি আবেলিৰ ভাগত দোতমা বিধানসভা সমষ্টিৰ 'দোতমা হাৰিমু আফাদ পথাৰতো বিটিচিপ্ৰধান প্ৰমোদ বড়োৱে ৬,৭৮৭গৰাকী হিতাধিকাৰীক নতুনকৈ ৰেছনকাৰ্ড বিতৰণ কৰে। উল্লেখযোগ্য যে কাইলৈ গোসাঁইগাঁও আৰু পৰ্বতঝোৰাত নতুন ৰেছনকাৰ্ড বিতৰণ কৰা হ'ব।

# ৰঞ্জন গগৈক অসম বৈভৱ, এলভিছ-হিমাক অসম সৌৰভ বঁটা

**ই-সংবাদ, ১৬ জানুৱাৰীঃ** ৰাম জন্মভূমি-বাবৰি মছজিদ গোচৰৰ ৰায় প্ৰদান কৰা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈক অসম চৰকাৰে প্ৰদান কৰিছে বিশেষ সন্মান৷ ৰঞ্জন গগৈক আইন আৰু ন্যায়ৰ ক্ষেত্ৰত অসম বৈভৱ বঁটা-২০২৩ প্ৰদান কৰাৰ ঘোষণা কৰিছে ৰাজ্য চৰকাৰে৷ আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ সৰ্বোচ্চ অসামৰিক বঁটা প্ৰাপ্তসকলৰ নাম ঘোষণা কৰে৷ ভাৰতৰ ৪৬ তম মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰা প্ৰাক্তন ন্যায়াধীশ ৰঞ্জন গগৈক অসম বৈভৱ বঁটা-২০২৩ প্ৰদান কৰাৰ ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে৷ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে ৰঞ্জন গগৈয়ে দশকপুৰণি ৰাম জন্মভূমি বাবৰি মছজিদ শীৰ্ষক গোচৰত ঐতিহাসিক ৰায় প্ৰদান কৰে। ১৯৫৪ চনৰ ১৮ নৱেম্বৰত জন্ম গ্ৰহণ কৰা ৰঞ্জন গগৈক ২০০১ চনৰ ২৮ ফেব্ৰুৱাৰীত গৌহাটি উচ্চ ন্যায়ালয়ৰ স্থায়ী ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল৷ ২০১০ চনৰ পৰা ২০১১ চনলৈ পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়লৈ ন্যায়াধীশ হিচাপে বদলি কৰা হৈছিল৷ ২০১১ চনৰ পৰা ২০১২ চনলৈ পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আছিল৷ ২০১২ চনৰ পৰা ২০১৮ চনলৈ ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰে৷ ২০১৮ চনৰ পৰা ২০১৯ চনলৈ ভাৰতৰ ৪৬ তম মুখ্য ন্যায়াধীশ হিচাপে কাৰ্যনিৰ্বাহ কৰি৷ অৱসৰৰ পাছতে ২০২০ চনৰ ১৬ মাৰ্চত ৰাজ্যসভাৰ সদস্য হিচাপে মনোনীত কৰে তদানীন্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে৷ এলভিছ আলী হাজৰিকা, হিমা দাস, কিষাণ চান্দ নাৰীয়ান আৰু নাদিৰাম দেউৰীক প্ৰদান কৰা হ'ব অসম সৌৰভ বঁটা৷ আনহাতে, অনুপম ডেকা, সৌমদীপ দত্ত, বসন্ত চিৰিং ফুকন, মনেন্দ্ৰ ডেকা, মিনাক্ষী চেতিয়া, দেৱজিৎ চাংমাই, দ্ৰোণ ভূঞা, ৰঞ্জিত গগৈ, নীলম দত্ত, পাৰ্বতী বৰুৱা, টেঞ্জিং বডোচা, নিৰ্মল দে', জেচিন কুম্বাং পাও, মেৰি হাচা, উপেন্দ্ৰ ৰাভা, ৰাহুল গুপ্তা, পখিলা লেখটেপীক অসম গৌৰৱ বঁটা প্ৰদান কৰিব ৰাজ্য চৰকাৰে৷

# বৰপেটা সত্ৰৰ পৰম্পৰাৰে ওদালগুৰিৰ সত্ৰ-নামঘৰত মেজি প্ৰজ্বলন



**ই-সংবাদ, ওদালগুৰি, ১৬ জানুৱাৰীঃ** দেওবাৰে ৰাজ্যজুৰি পালিত হ'ল ভোগালীৰ উৰুকা। ওদালগুৰিৰ বিভিন্ন প্ৰান্ততো দেওবাৰে নিশা উৰুকাৰ ব্যাপক উৎসাহ পৰিলক্ষিত হয়। নিশা লগে ভাগে এসাজ খাই আনন্দ কৰি পিছদিনা পুৱা পৰম্পৰাগত নিয়ম অনুসৰি মেজি প্ৰজ্বলন কৰে। কিন্তু চহৰখনৰ ভিন্ন প্ৰন্তত সোমবাৰৰ নিশাও উৰুকা পালন কৰা দেখা যায়। বিশেষকৈ বৰপেটা সত্ৰৰ পৰম্পৰা আৰু ৰীতি-নীতি মানি একাংশ ওদালগুৰিৰবাসীয়ে সোমবাৰৰ নিশাও উৰুকা খোৱা পৰ্ব দেখা যায়। ইয়াৰ পাছত আজি চহৰখনৰ সত্ৰ-নামঘৰসমূহত দেখা যায় মেজি প্ৰজ্বলনৰ দৃশ্য। বৰপেটা সত্ৰৰ সৈতে সম্পৰ্কিত ওদালগুৰি শ্ৰীমন্ত শংকৰদেৱ সত্ৰ, মধ্য ওদালগুৰি ৰাজহুৱা নামঘৰ ৰাখালঘৰ আদিকে ধৰি চহৰখনত বহুকেইটা সত্ৰ আৰু নামঘৰত আজি মেজি প্ৰজ্বলন কৰা দেখা যায়। পুৱাই সত্ৰসমূহত নাম-প্ৰসঙ্গ সমাপ্ত হোৱাৰ অন্তত ওদালগুৰি শ্ৰীমন্ত শংকৰদেৱ সত্ৰ, মধ্য ওদালগুৰি ৰাজহুৱা নামঘৰ ৰাখাল ঘৰত পৰম্পৰা অনুসৰি আই-মাতৃ, বাপ-বান্ধৱসকলৰ উপস্থিতিত সত্ৰৰ চৌহদত নিৰ্মাণ কৰা মেজিত অগ্নিসংযোগ কৰে সত্ৰৰ সমাজে। মেজি প্ৰজ্বলনৰ জৰিয়তে মেজিৰ জুইত সমাজৰ অসূয়া-অপ্ৰীতি নাশ হোৱাৰ কামনা কৰে সকলোৱে। সমান্তৰালভাৱে বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে সকলোৱে প্ৰাৰ্থনা কৰে। একেদৰে ওদালগুৰি বিষ্ণুৰাভা কৃষ্টি সংঘ, ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থা, ওদালগুৰি জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদকে আদি কৰি চহৰখনৰ ভিন্ন প্ৰান্তত ৰাজহুৱাভাৱে মেজি প্ৰজ্বলন কৰা দেখা যায়। ইপিনে পহিলা মাঘৰ দিনটোত চহৰখনৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানসমূহত ভক্তৰ লানি নিছিগা সোঁত দেখা যায়। সত্ৰ নামঘৰসমূহৰ উপৰিও বিভিন্ন মন্দিৰত ৰাইজে ভিৰ কৰি অনাগত দিনবোৰত সকলোৰে মংগল কামনা কৰে।

## শেষ পৃষ্ঠা

# নাগালৰ বিশেষ অঘটন

**মেলবৰ্ণ, ১৬ জানুৱাৰীঃ** ভাৰতৰ উদিয়মান টেনিছ তাৰকা সুমিত নাগালে অষ্ট্ৰেলিয়ান অপেনত অঘটন ঘটাবলৈ সমৰ্থ হৈছে। আজি অনুষ্ঠিত হোৱা প্ৰথম ৰাউণ্ডৰ এখন খেলত বিশ্ব ৰেংকৰ ২৭ তম স্থানত থকা আলেকজেণ্ডাৰ বাব্লিকক তেওঁ পোনপটীয়া ৬-৪, ৬-২ আৰু ৭-৫ ছেটত পৰাস্ত কৰি ইতিহাস ৰচনা কৰিবলৈ সক্ষম হয়। এইবাৰ অষ্ট্ৰেলিয়ান অপেনত বাব্লিকে ৩১ নম্বৰ বাচনি ভাল কৰিছিল। আনহাতে নাগালে বাচনি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি গ্ৰেণ্ডশ্লেম টুৰ্ণামেণ্টখনত ভাগ লোৱাৰ সুযোগ পাইছিল। তেওঁ ২০২১ চনত এই অষ্ট্ৰেলিয়ান অপেনতে জীৱনৰ প্ৰথম গ্ৰেণ্ডশ্লেম প্ৰতিযোগিতাত ভাগ লোৱাৰ কৃতিত্ব অৰ্জন কৰিছিল। সেইবাৰ নাগালে ৱাইল্ড কাৰ্ড পাই তাত ভাগ লৈছিল। তাৰ পাছত তেওঁ কোনো বৃহৎ টেনিছ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুযোগ পোৱা নায়। এইবাৰ তেওঁ প্ৰথম ৰাউণ্ডত বাচনি প্ৰাপ্ত খেলুৱৈক পৰাজিত কৰি সকলোকে চমকিত কৰি তোলে। উল্লেখ্য যে ১৯৮৯ চনত ৰমেশ কৃষ্ণনে অষ্ট্ৰেলিয়ান অপেনত বাচনি লাভ কৰা খেলুৱৈক পৰাস্ত কৰাৰ পাছত কোনো ভাৰতীয় টেনিছ খেলুৱৈ গ্ৰেণ্ডশ্লেম প্ৰতিযোগিতাত বাচনি লাভ কৰা খেলুৱৈক পৰাজিত কৰিব পৰা নাছিল। আজিৰ জয় নাগালৰ কেৰিয়াৰৰ বাবে এক পথেয় হ'ব।





■ অসূয়া, অপায়, অমংগল নাশৰ কামনাৰে অসমীয়াই ঘৰে ঘৰে জ্বলালে মেজি

# ৩১ বছৰ ধৰি খালী ভৰিৰে চাইকেল চলাই চৰ্চাত ৰাম ভক্ত!

**অনলাইন ফিচাৰ্ছ, ১৬ জানুৱাৰীঃ** ২২ জানুৱাৰীত মহা আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হ'ব অযোধ্যাৰ ৰাম মন্দিৰৰ অভিষেক অনুষ্ঠান। বহু অপেক্ষিত ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ পূৰ্বে চৰ্চালৈ আহিছে এগৰাকী ৰাম ভক্তৰ কাহিনী। অযোধ্যাৰ বিতৰ্কিত ভূমিত ৰাম মন্দিৰৰ নিৰ্মাণৰ প্ৰাৰ্থনাৰে বিগত ৩১ বছৰ ধৰি খালী ভৰিৰে চাইকেল চলাই দেশৰ বিভিন্ন প্ৰান্তৰ 'জাগ্ৰত' তীৰ্থস্থানসমূহ ভ্ৰমণ কৰি সেৱা আগবঢ়োৱা এইগৰাকী ৰামভক্তৰ নাম হৈছে দামোদৰজী মহাৰাজ। উল্লেখ্য যে, ১৯৯২ চনত বাবৰি মছজিদ ধ্বংস কৰা হৈছিল। আৰু তেতিয়াৰ পৰাই অযোধ্যাৰ এই বিতৰ্কিত ভূমিত ৰাম মন্দিৰ নিৰ্মাণৰ প্ৰাৰ্থনাৰে খালী ভৰিৰে চাইকেলত উঠি সমগ্ৰ দেশৰ তীৰ্থস্থলসমূহ ভ্ৰমণ কৰাৰ সিদ্ধান্ত লয় আহমেদাবাদৰ নিৱাসী দামোদৰজী মহাৰাজে। একাধিক গেৰুৱা পতাকা, ৰাম আৰু অন্য দেৱ-দেৱীৰ মূৰ্তি আৰু গীতাৰ শ্লোকেৰে সজ্জিত তেওঁৰ চাইকেলখনক 'ৰথ' বুলি অভিহিত কৰে দামোদৰজী মহাৰাজে। বিগত তিনিটা দশকত তেওঁ খালী ভৰিৰে এই 'ৰথ'ত উঠিয়েই পুৰীৰ জগন্নাথ মন্দিৰৰ পৰা অমৰনাথৰ কেদাৰনাথ-বদ্ৰীনাথলৈকে ঘূৰি ফুৰি এতিয়ালৈকে ৪১ হাজাৰ কিলোমিটাৰ যাত্ৰা অতিক্ৰম কৰা বুলিও দাবী কৰে ৰামভক্ত দামোদৰজীয়ে। ২০১৯ চনত উচ্চতম ন্যায়ালয়ে ৰাম মন্দিৰৰ সপক্ষে প্ৰদান কৰা ৰায় আৰু পৰৱৰ্তী সময়ত মন্দিৰৰ নিৰ্মাণকাৰ্য আৰম্ভ হোৱাৰ পিছত দামোদৰজীৰ ইচ্ছা পূৰণ হোৱা বুলি তেওঁ মন্তব্য কৰে। ৰাম মন্দিৰৰ নিৰ্মাণৰ বাবে তেওঁ উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পত্ৰ লিখা বুলিও জনায়। ইতিমধ্যে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ পূৰ্বে অযোধ্যাত উপস্থিত হোৱা দামোদৰজী মহাৰাজে ২৩ জানুৱাৰীত ভগৱান শ্ৰীৰামৰ চৰণত সেৱা লৈ নিজৰ প্ৰতিজ্ঞা ভংগ কৰিব বুলি জনায়। তেওঁ কয় যে প্ৰতিজ্ঞা ভংগ কৰাৰ পিছতে তেওঁ সুদীৰ্ঘ ৩১টা বছৰৰ পিছত ভৰিত চেণ্ডেল পৰিধান কৰিব।